**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। ঘূৰ্ণীবতাহ ৰি-মলৰ প্ৰভাৱত আজি আৰু কাইলৈ ৰাজ্যত প্ৰবল বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী। দুৰ্যোগ প্ৰশমন বিভাগৰ বিশেষ হেল্পলাইন নম্বৰ মুকলি।

২। ১ জুনত হ'বলগীয়া লোকসভাৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৩। গৰমৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা ৰাজ্যৰ বিভিন্ন জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ নতুন সময়সূচী।

*আৰু*

৪। এছিয়ান ছিনিয়ৰ জিমনাষ্টিক চেম্পিয়নশ্বিপত মহিলাৰ শাখাত স্বৰ্ণ জয় কৰা প্ৰথমগৰাকী ভাৰতীয় এথলিট হিচাপে দীপা কৰ্মকাৰৰ কৃতিত্ব অৰ্জন।

०००००० 

বংগোপ সাগৰত নিম্ন চাপ সৃষ্টিৰ ফলত উৎপত্তি হোৱা ৰিমল ঘূৰ্ণীবতাহজাকে কালি নিশা চাৰে ১০ বজাৰ পৰা চাৰে ১২ বজাৰ ভিতৰত সমুদ্ৰ তীৰত খুন্দা মাৰে। আলিপুৰ ক্ষেত্ৰ ঘূৰ্ণীবতাহ সতৰ্ক কেন্দ্ৰৰ মুৰববী হাবিবুৰ ৰহমান বিশ্বাসে এই কথা প্ৰকাশ কৰিছে। এই ঘূৰ্ণীবতাহজাক আৰু কিছু সময়লৈ উত্তৰ দিশলৈ গতি কৰিব আৰু ইয়াৰ পাছত উত্তৰ-উত্তৰ-পূব দিশলৈ গতি কৰি লাহে লাহে ইয়াৰ প্ৰকোপ সাম কাটিব। কালি নিশা প্ৰায় চাৰে ৮ বজাত প্ৰতিঘণ্টাত ১১০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে ঘূৰ্ণীবতাহজাক বাংলাদেশৰ খেপোপাৰা আৰু পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জত প্ৰৱেশ কৰে। ঘূৰ্ণীবতাহৰ ফলত কলকাতাকে ধৰি দক্ষিণ বংগৰ সকলো জিলাতে ধুমুহা আৰু প্ৰবল বৃষ্টিপাতৰ বাতৰি পোৱা গৈছে। কলকাতাৰ বিভিন্ন স্থানত গছ-গছনি উভালি পৰাৰ লগতে বহুকেইটা পথ পানীৰে বুৰাই পেলাইছে। এণ্টেলি এলেকাৰ বিবি বাগান পথত এটা ঘৰৰ কিছু অংশ খহি পৰাৰ ফলত এজন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। আনহাতে বৰুণহাট আৰু পৰহাছনাবাদ নদীবান্ধত ফাট মেলাৰো বাতৰি পোৱা গৈছে। উত্তৰ পৰগানাৰ হাছনাবাদ আৰু হিংগালগঞ্জকে ধৰি এটা বৃহৎ এলেকাত প্ৰবল বৰষুণ হোৱাৰ লগতে দক্ষিণ পৰগানাৰ সাগৰ, নামখানা, কাকদীপ, পাথৰপ্ৰতীমা, গোছাবা আদি অঞ্চলত বহু সংখ্যক গছ উভালি পৰাৰ লগতে কেইবাটাও পথ বন্ধ হৈ পৰিছে। বতৰ বিজ্ঞান বিভাগে আজি বিয়লি পৰ্যন্ত বৰষুণ অব্যাহত থাকিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে।

ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ঘূৰ্ণীবতাহৰ পৰিস্থিতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। মাছমৰীয়াসকলক দক্ষিণ বংগোপ সাগৰ আৰু আন্দামান সাগৰলৈ নাযাবলৈ সতৰ্ক কৰি দিয়াৰ লগতে সামুদ্ৰিক এলেকাৰ প্ৰায় ১ লাখ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হয়। কলকাতা বিমান

বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণী বতাহজাকৰ পৰিপ্ৰেক্ষিতত কালি দুপৰীয়াৰ পৰা আজি পুৱাৰ ভাগলৈ বিমানৰ চলাচল বন্ধ ৰাখে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যখনত আজি নিৰ্বাচনী প্ৰচাৰ কাৰ্যও বন্ধ কৰি দিয়া হৈছে।

০০০০০০

ৰিমল ঘূৰ্ণীবতাহৰ প্ৰভাৱ অসমৰ কিছু অংশত পৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে কেতবোৰ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলসমূহ সম্পূৰ্ণৰূপে সাজু হৈ থকাৰ লগতে নিয়ন্ত্ৰণ কক্ষসমূহো কাৰ্যক্ষম কৰি তোলা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি আৰু কাইলৈ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত প্ৰবল বৃষ্টিপাতৰ আগলি বতৰা দিছে। ধুবুৰী, দক্ষিণ শালমৰা, বঙাইগাঁও, বজালী, তামুলপুৰ, বৰপেটা, নলবাৰী, মৰিগাঁও, নগাঁও, হোজাই আৰু পশ্চিম কাৰ্বি আংলঙত অৰেঞ্জ এলাৰ্ট জাৰি কৰাৰ বিপৰীতে চিৰাং, গোৱালপাৰা, বাক্সা, ডিমা হাচাও, কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত ৰেড এলাৰ্ট জাৰি কৰা হৈছে। বতৰ বিজ্ঞান বিভাগে এই সময়ছোৱাত ঘণ্টাত ৪০ৰ পৰা ৪৫ কিলোমিটাৰ বেগেৰে বতাহ বলাৰো সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। ঠাই বিশেষে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ দল সাজু কৰি ৰখা হৈছে। জিলা প্ৰশাসনসমূহে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণসমূহক পৰিবেশ আৰু পৰিস্থিতি পৰ্যালোচনা কৰিবলৈ নিৰ্দেশ দিছে। বিশেষকৈ ধুবুৰী, গোৱালপাৰা, দক্ষিণ শালমৰা, বঙাইগাঁও আৰু বৰপেটা জিলাৰ লগতে বৰাক আৰু কুচিয়াৰী নদীত নাও চলাচল নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্দেশ দিছে। আনহাতে কামৰূপ জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰত আজি আৰু কাইলৈ নাৱৰ চলাচল বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নদীসমূহত মাছ ধৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। গুৱাহাটী পৌৰ নিগমে ভৰলু, বাহিনী, বশিষ্ঠ, মৰা ভৰুলু আৰু লখিমীজানকে ধৰি প্ৰধান নদী প্ৰণালীসমূহৰ জাৱৰ নিষ্কাষণ সুনিশ্চিত কৰিছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনসাধাৰণৰ সুবিধাৰ্থে ১১২, ১০৭০ আৰু ১০৭৭ জৰুৰীকালীন নম্বৰ মুকলি কৰিছে।

০০০০০০

লোকসভা নিৰ্বাচনৰ ইতিমধ্যে ভোটগ্ৰহণ অনুষ্ঠিত হৈ যোৱা ৬টা পৰ্যায়ৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰি বাকী থকা সপ্তম তথা অন্তিমটো পৰ্যায়ৰ ভোটগ্ৰহণৰ পূৰ্বে ৰাজনৈতিক দলসমূহে অধিক আগ্ৰাসী ৰূপত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। সপ্তম পৰ্যায়ত সাতখন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭খন সংসদীয় আসনৰ বাবে ১ জুনত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত বিহাৰৰ ৮খন আসনত ১৩৪ গৰাকী, ছণ্ডীগড়ৰ এখন আসনত ১৯ গৰাকী, হিমাচল প্ৰদেশৰ ৪খন আসনত ৩৭ গৰাকী, ঝাৰখণ্ডৰ ৩খন আসনত ৫২ গৰাকী, ওড়িশাৰ ৩ খন আসনত ৬৬ গৰাকী, পঞ্জাবৰ ১৩ খন আসনত ৩২৮ গৰাকী, উত্তৰ প্ৰদেশৰ ১৩ খন আসনত ১৬৪ গৰাকী আৰু পশ্চিমবংগৰ ৯খন আসনত ১২৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰ, ঘোচি আৰু বাঁছগাঁৱত তিনিখনকৈ জনসভাত অংশগ্ৰহণ কৰি ভোটদাতাৰ সমৰ্থন বিচাৰে। শ্ৰীমোদীয়ে কয় যে, সু-উদ্দেশ্যে আৰু নীতিসমূহৰ বাবে দেশে তৃতীয়বাৰৰ বাবে  বিজেপি-এন ডি এ চৰকাৰ গঠন কৰাৰ সিদ্ধান্ত লৈছে। আনহাতে সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে চালেমপুৰ আৰু বল্লিয়াত জনসভা সম্বোধন কৰি কয় যে, বৰ্তমান সময়ত জনসাধাৰণ মূল্য বৃদ্ধি আৰু নিবনুৱা সমস্যাৰ বাবে হতাশ হৈ পৰিছে।

কালি বিহাৰৰ ঔৰংগাবাদ আৰু কৈমূৰৰ লগতে পঞ্জাবৰ লুধিয়ানাত ৩ খনকৈ জনসভা সম্বোধন কৰাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উত্তৰ-প্ৰদেশৰ কুশিনগৰ, ছালেমপুৰ আৰু চান্দাউলীত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ ল'ব।

ইফালে, মিৰ্জাপুৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী অনুপ্ৰিয়া পেটেল আৰু ৰবাৰ্টগঞ্জ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী ৰিংকি কোলৰ সমৰ্থনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি বিজেপি নেতা তথা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জনসাধাৰণে এখন নতুন ভাৰতৰ উত্থানৰ সাক্ষী হৈছে। তেওঁ লগতে ভাৰত বৰ্তমান এটা মুখ্য শক্তি হোৱাৰ দিশত আগবাঢ়িছে বুলিও উল্লেখ কৰে।

তেওঁ লগতে কয় যে, শ্ৰীমোদীয়ে ১৪০ কোটি ভাৰতীয়ক নিজৰ পৰিয়ালৰ দৰে ভাবে আৰু প্ৰতিজন নাগৰিকৰ জীৱন সমৃদ্ধিশালী কৰি তোলাৰ বাবে চেষ্টা কৰিছে।

ইপিনে, কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালেও কালি পশ্চিমবংগৰ দমদমৰ পৰা উলিওৱা এটা ৰোড শ্ব'ত অংশ লোৱাৰ লগতে কলকাতাৰ চৌৰাংগীত এখন বিশাল জনসভা সম্বোধন কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়েও আজি কেইবাখনো জনসভাত অংশ ল'ব। প্ৰিয়ংকা গান্ধীয়ে হিমাচল প্ৰদেশৰ চাম্বা আৰু শ্বাহপুৰ সমষ্টিত দুখনকৈ জনসভা সম্বোধন কৰাৰ বিপৰীতে ৰাহুল গান্ধীয়ে আজি পাটনা চাহিব আৰু পাতলিপুত্ৰত নিৰ্বাচনী প্ৰচাৰ চলাব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পঞ্জাবৰ ফৰিদকোট লোকসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থী তথা জনপ্ৰিয় কণ্ঠশিল্পী হংসৰাজ হংসৰ হৈ এখন নিৰ্বাচনী সভাত অংশ লয়। সভাত দিয়া ভাষণত ড০ শৰ্মাই পঞ্জাবৰ শাসনাধিষ্ঠিত ভগৱত মান চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয় যে, বৰ্তমানৰ পঞ্জাব চৰকাৰে মুঠ জিডিপিৰ ৪৭ শতাংশই ঋণ পৰিশোধৰ নামত খৰচ কৰিবলগীয়া হোৱাত জনকল্যাণমূলক আঁচনি ৰূপায়ণত ব্যৰ্থ হৈছে। তেওঁ লগতে কয় যে পূৰ্বে পঞ্জাব দেশৰ ভিতৰতে অন্যতম আদৰ্শ ৰাজ্য আছিল যদিও কংগ্ৰেছ আৰু আপৰ চৰকাৰৰ দিনত ৰাজ্যখনত আৰ্থিক অস্থিৰতাই বিৰাজ কৰিছে। ইয়াৰ বিপৰীতে মুখ্যমন্ত্ৰী ভগৱন্ত মানে ৰাজ্যখনক উদ্ধাৰ কৰাৰ পৰিৱৰ্তে দেশৰ প্ৰচাৰ মাধ্যমত চৰকাৰী বিজ্ঞাপন প্ৰকাশ কৰি ৰাইজৰ ধন অপব্যৱহাৰ কৰা বুলি তেওঁ কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত পঞ্জাবতো দ্বৈত ইঞ্জিনৰ চৰকাৰ গঠন হ'লেহে জনসাধাৰণ উপকৃত হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। যোৱা ১০ বছৰত শ্ৰী মোদীৰ নেতৃত্বত অসম তথা উত্তৰ-পূবত হোৱা দ্ৰুত উন্নয়নৰ কথা ব্যাখ্যা কৰি ড০ শৰ্মাই লগতে কয় যে, অসমে মুঠ জি ডি পিৰ মাত্ৰ ২৪ শতাংশহে ঋণৰ নামত পৰিশোধ কৰে। পূৰ্বে উত্তৰ-পূবৰ কোনো ৰাজ্যতে বিজেপি চৰকাৰ নাছিল যদিও যোৱা ১০ বছৰত অঞ্চলটোৰ জনসাধাৰণে বিজেপিক আঁকোৱালি লোৱাৰ কাৰণ নৰেন্দ্ৰ মোদীৰ জনমুখী আচিন তথা উন্নয়ন বুলিয়েই সভাত ড০ শৰ্মাই উল্লেখ কৰে। মোদী চৰকাৰৰ দৃঢ় পদক্ষেপৰ বাবেই উগ্ৰবাদে অস্থিৰ কৰা উত্তৰ-পূবত এতিয়া শান্তি বিৰাজ কৰাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই লগতে কয় যে, ড্ৰাগছৰ সৰবৰাহ ৰোধৰ ক্ষেত্ৰতো কেন্দ্ৰৰ কঠোৰ নীতিয়ে উত্তৰ-পূবক সহায় কৰিছে। উগ্ৰবাদ আৰু ড্ৰাগছৰ সমস্যাৰ পৰা পঞ্জাবৰ যুৱ প্ৰজন্মক ৰক্ষা কৰিবলৈ বিজেপি চৰকাৰক সমৰ্থন দিয়াৰ বাবেও মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰাজ্যখনৰ জনসাধাৰণক আহ্বান জনায়।

০০০০০০

রাজ্যত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহৰ পৰিপ্ৰেক্ষিতত আজিৰে পৰা কেইখনো জিলাত বিদ্যালয়ৰ পাঠদানৰ নতুন সময়সূচী ধাৰ্য কৰা হৈছে। সেই অনুসৰি যোৰহাট, কামৰূপ মহানগৰ, চিৰাং আৰু শোণিতপুৰ জিলাৰ সকলো চৰকাৰী, প্ৰাদেশীকৃত আৰু ব্যক্তিগত খণ্ডৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে সাত বজাৰ পৰা দুপৰীয়া ১২ বজালৈ, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত পুৱা চাৰে সাত বজাৰ পৰা দুপৰীয়া চাৰ ১২ বজালৈ আৰু উচ্চ তথা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত পুৱা চাৰে সাত বজাৰ পৰা দুপৰীয়া ১ বজালৈ পাঠদানৰ সময়সূচী নিৰ্ধাৰণ কৰা হৈছে। আনহাতে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাত আৰম্ভ হৈ দুপৰীয়া এক বাজি ৫৫ মিনিটত অন্ত পৰিব। ইপিনে কাৰ্বি আংলং জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ, মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১ বজালৈ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ৰ পৰা দুপৰীয়া ডেৰ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। কৰিমগঞ্জ জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে সাত বজাৰ পৰা ১২ বাজি ১৫ মিনিটলৈ, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সময় পুৱা চাৰে সাত বজাৰ পৰা দুপৰীয়া ১২ বাজি ৪৫ মিনিটলৈ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সময় পুৱা চাৰে সাত বজাৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে জিলাসমূহৰ বিদ্যালয়ত পাঠদানৰ এই নতুন সময় সূচী আজিৰে পৰা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱে ইয়াৰ সংমণ্ডলৰ ভিতৰত থকা এলেকাসমূহত যাত্ৰীৰ সুৰক্ষা বৃদ্ধিৰ বাবে শীঘ্ৰে কেতবোৰ ষ্টেচনৰ ৫৬ খন নতুন ফুট অ'ভাৰব্ৰীজ নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে যাত্ৰীসকলে যাতে সুৰক্ষিতভাৱে এটা প্লেটফৰ্মৰ পৰা আনটো প্লেটফৰ্মলৈ অহা-যোৱা কৰিব পাৰে তাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই বিগত বৰ্ষত ১০খন ফুটব্ৰীজ নিৰ্মাণ কৰে। বৰ্তমান কাটিহাৰ, আলিপুৰদুৱাৰ, ৰঙিয়া, লামডিং আৰু তিনিচুকীয়াকে ধৰি মুঠ পাঁচটা সংমণ্ডলৰ ২৭৯ খন কাৰ্যক্ষম ফুট অ'ভাৰব্ৰীজ আছে।

০০০০০০

অহা ১ জুনৰ পৰা বটলিফ ফেক্টৰীসমূহে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ পৰা কেঁচাপাত ক্ৰয় নকৰাৰ সিদ্ধান্ত ঘোষণা কৰাৰ পাছতে ৰাজ্যৰ শ শ ক্ষুদ্ৰ চাহ খেতিয়কৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বটলিফ ফেক্টৰীসমূহে এই সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই অহা ২ জুনৰ পৰা প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰাৰ হুংকাৰ দিছে। ইফালে ৰাজ্যৰ সকলো ক্ষুদ্ৰ চাহ খেতিয়কক উন্নতমানৰ কেঁচাপাত উৎপাদনৰ বাবে শস্য সুৰক্ষা বিধি পালন কৰিবলৈ আহ্বান জনাই সন্থাৰ তৰফৰ পৰা কালি তিতাবৰ, টীয়ক মৰিয়নি আদিকে ধৰি বিভিন্ন স্থানত সজাগতা ৰেলী বাহিৰ কৰা হয়। চাহ খেতিত ২০২৪ বৰ্ষৰ শস্য সুৰক্ষা বিধিৰ দ্বাৰা অনুমোদিত ঔষধ কিমান পৰিমাণত আৰু কিদৰে প্ৰয়োগ কৰিব লাগে সেই বিষয়ে বিভিন্ন তথ্য এই সজাগতা ৰেলীৰ দ্বাৰা ক্ষুদ্ৰ চাহ খেতিয়কসকলক বুজাই দিবলৈ প্ৰয়াস কৰা হয়।

০০০০০০

এছিয়ান ছিনিয়ৰ জিমনাষ্টিক চেম্পিয়নশ্বিপত মহিলাৰ শাখাত স্বৰ্ণ জয় কৰি দীপা কৰ্মকাৰে প্ৰথমগৰাকী ভাৰতীয় এথলিট হিচাপে কৃতিত্ব অৰ্জন কৰিছে। উজবেকিস্তানৰ ৰাজধানী চহৰত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ শেষৰ দিনা জিমনাষ্টগৰাকীয়ে ১৩ দশমিক ৫-৬ স্কোৰ অৰ্জন কৰি উত্তৰ কোৰিয়াৰ কিম ছন হায়াং আৰু জো কিয়ং

বায়'লক পৰাস্ত কৰে। উল্লেখযোগ্য যে ২০১৬ৰ ৰিঅ' অলিম্পিকত চতুৰ্থস্থান অৰ্জনকাৰী দীপাই ইয়াৰ পূৰ্বে ২০১৫ত একেটা ইভেণ্টতে ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০০

কলকাতা নাইট ৰাইডাৰ্ছে কালি ছানৰাইৰ্জাছ হায়দৰাবাদক ৮ উইকেটত পৰাস্ত কৰি তৃতীয়বাৰৰ বাবে আই পি এল ক্ৰিকেটৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত কলকাতাই ১১৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি মাত্ৰ ১০ অভাৰ ৩টা বলতে দুটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰহমানুল্লা গুৰবাজে ৩৯ ৰান কৰাৰ বিপৰীতে ভেংকটেশ আয়াৰে ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে।

ইয়াৰ পূৰ্বে ছানৰাইৰ্জাছ হায়দৰাবাদে টছত জিকি প্ৰথম বেট ধৰাৰ সিদ্ধান্ত লয়। দলটোৱে ১৮ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰান কৰে। হায়দৰাবাদৰ হৈ অধিনায়ক পেট কামিন্সে সৰ্বাধিক ২৪ ৰান কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ আন্দ্ৰে ৰাচেলে তিনিটা উইকেট দখল কৰে। মিচ্চেল ষ্টাৰ্কক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ভাৰতীয় সেনাৰ উদ্যোগত আৰু বি টি আৰ চৰকাৰৰ সহযোগত কোকৰাঝাৰৰ ছাই ষ্টেডিয়ামত অহা ২৬ জুলাইৰ পৰা ৩১ আগষ্টলৈ ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এছিয়াৰ আটাইতকৈ পুৰণি ফুটবল প্ৰতিযোগিতাখনত অংশ ল'ব পৰাকৈ প্ৰতিভাৱান খেলুৱৈ বাচনি কৰাৰ উদ্দেশ্যে কালি বড়োলেণ্ড এফ চিয়ে কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত বিশেষ বাচনি শিবিৰ অনুষ্ঠিত কৰে। আন্তঃৰাষ্ট্ৰী খেলুৱৈ হলিচৰণ নাৰ্জাৰী এই শিবিৰত উপস্থিত থাকে। উল্লেখযোগ্য যে, বড়োলেণ্ড এছ চিয়ে ডুৰাণ্ড কাপৰ বাবে কোকৰাঝাৰকে ধৰি ৫ খন জিলাত খেলুৱৈ বাচনি কৰিব। সেই অনুসৰি কাইলৈ চিৰাঙত, ৩০ মে'ত বাক্সাত, ১ জুনত তামুলপুৰত আৰু ৩ জুনত ওডালগুৰি জিলাত খেলুৱৈ বাচনি শিবিব অনুষ্ঠিত কৰা হ'ব।

০০০০০০

অসম ভলীবল সন্থাৰ তত্বাৱধানত আৰু ঢকুৱাখনা জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ১ আৰু ২ জুনত ঢকুৱাখনাত তৃতীয় শ্ৰেণীৰ ভলীবল ৰেফাৰী পৰীক্ষা অনুষ্ঠিত হ'ব। এই প্ৰক্ৰিয়াৰ প্ৰথম দিনা ৰেফাৰী ছেমিনাৰ আৰু দ্বিতীয় দিনা ৰেফাৰী পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা সকলে পৰীক্ষাৰ নীতি-নিয়ম আৰু অৰ্হতা সন্দৰ্ভত ঢকুৱাখনা জিলা ক্ৰীড়া সন্থাৰ সৈতে যোগাযোগ কৰি সবিশেষ জানিব পাৰিব।

০০০০০০

ৰাজ্যত উদ্বেগজনকভাৱে বৃদ্ধি পোৱা গৰমৰ প্ৰকোপৰ লগতে ৰিমল ঘূৰ্ণীবতাহৰ বাতৰি আজি প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে বংগত ৰিমলৰ ৰুদ্ৰৰূপ-ৰাজস্থানত তাপদহন, দৈনিক অগ্ৰদূত কাকতে আহিছে ৰিমল-প্ৰৱল বৃষ্টিপাতৰ সতৰ্কবাণী, আমাৰ অসম কাকতে আহি আছে ৰিমল, অসমীয়া খবৰ কাকতে দেশত গৰমে ৰচিলে নতুন ৰেকৰ্ড, অসমীয়া প্ৰতিদিন কাকতে ৰাজ্যত ধ্বংস হ'ল ৩ দশমিক ২৩ লাখ হেক্টৰ বনভূমি, দৈনিক অসম কাকতে নিষেধাজ্ঞা ওফৰাই কয়লাৰ মুক্ত খনন আদি শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

৪৮ হাজাৰ ৬৪৯খন পাংখাৰ অভাৱ বিদ্যালয়ত শিৰোনামেৰে দৈনিক জনমভূমি কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে। দিল্লীত সংঘটিত হোৱা অগ্নিকাণ্ডত ৭ সাতগৰাকী নৱজাতকৰ কৰুণ মৃত্যু হোৱা বাতৰিক প্ৰায়কেইখন কাকতেই গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। পঞ্চম পৰ্যায় পৰ্যন্ত দেশৰ ভিতৰত ধুবুৰীত ভোটদানৰ হাৰ সৰ্বাধিক হোৱা বাতৰিটোৰ লগতে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কলকাতা নাইট ৰাইডাৰ্ছ বিজয়ীৰ খিতাপ দখল কৰাৰ বাতৰিটোক গুৰুত্বসহকাৰে কাকতসমূহে প্ৰকাশ কৰিছে। মোদীৰ তৃতীয় কাৰ্যকালত এক দেশ এক নিৰ্বাচন নিশ্চিত বুলি অমিত শ্বাহ ডাঙৰীয়াই কৰা মন্তব্যক আমাৰ অসম আৰু অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। ইয়াৰ লগতে ৰাজ্যত বিদ্যুতৰ উৎপাদনৰ বিপৰীতে ৩ হাজাৰ মেগাৱাটলৈ বৃদ্ধি পোৱা বাতৰিটোকো প্ৰকাশ কৰিছে। অসম কন্যা ফেচন ডিজাইনাৰ সংযুক্তা দত্তই ডিজাইন কৰা বস্ত্ৰৰে বিশ্বৰ দুগৰাকী ছুপাৰ মডেলে কান চলচ্চিত্ৰ মহোৎসৱৰ ৰেড কাৰ্পেটত খোজকঢ়া, মাজুলীৰ ভূ-গৰ্ভৰে উত্তৰ-পূব ভাৰতৰ মুখ্য চহৰলৈ এছিয়াৰ সৰ্ববৃহৎ গেছ পৰিবাহী পাইপলাইন, বোকাখাতত জ্ঞান-বিজ্ঞান সমিতি অসমৰ তিনিদিনীয়াকৈ অনুষ্ঠিত ৰাজ্যিক শিশু বিজ্ঞান সমাৰোহৰ সফল সামৰণি- এই বাতৰি তিনিটাক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। দা আছাম ট্ৰিবিউন কাকতে অমিত শ্বাহে UCC ACROSS INDIA IF BJP RETURNS TO POWER বুলি কৰা মন্তব্যক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আনহাতে দি ছেণ্টিনেল কাকতে DIGITAL ARREST, THE LASTEST TACTICE OF CYBERCRIMINALS শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – কাঁত অভিলেখ ৰচি গ্ৰাঁ প্ৰি পুৰস্কাৰ অৰ্জন কৰিলে পায়েল কাপাডিয়াই, বছৰি গড়ে ০ দশমিক ০৪৯ ডিগ্ৰীকৈ বাঢ়িছে সৰ্বোচ্চ তাপমান, তেল আভিভত হামাছৰ ৰকেট আক্ৰমণ, তেলেংগানাত নিষিদ্ধ হ'ল গুটখা-পাণ মছলা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত